Regional News Unit

AKASHVANI, Guwahati

0000000000

Date : 29-05-2025

Time : 1715 Hrs

# *Assamese Evening Bulletin*

\- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিংযোগে ৰাজ্যখনৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ ফলপ্ৰসূ ৰূপায়ণ আৰু এই অভিযানৰ অগ্ৰগতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে বিতংকৈ বুজ লয়। আলোচনা কালত এটি কলি দুটি পাত শীৰ্ষক নতুন আঁচনিখনৰ ৰূপায়ণৰ বিষয়েও স্থান লাভ কৰে। তদুপৰি বিভিন্ন জিলাত থকা চাহবাগিচাসমূহত স্থায়ী শ্ৰমিক আৰু অস্থায়ী শ্ৰমিকৰ পৰিসংখ্যা তথা চাহবাগিচাৰ কৰ্মচাৰীৰ সংখ্যা আৰু জিলা পৰ্যায়ত ৰূপায়ণ সমিতি গঠনকে ধৰি কেইবাটাও বিষয় মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলৰ সৈতে আলোচনা কৰে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলালৈ আহিবলগীয়া কেন্দ্ৰীয় তীখা আৰু গুৰু উদ্যোগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মাৰ আজিৰ কাৰ্যসূচী বাতিল কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰি কাইলৈ পুৱাৰ ভাগত মানকাচৰলৈ ৰাওনা হব। শ্ৰীবাৰ্মাই হাটশিঙিমাৰীত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ মুৰব্বীৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ জিলাখনত ৰূপায়ণ হৈ থকা জলজীৱন মিছনৰ তিনিখন আঁচনিৰ কাম-কাজো পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীয়ে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তও পৰিদৰ্শন কৰাৰ কথা।

০০০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝৰা মহকুমাৰ কাজিগাঁও গাৰোপাৰা যুব ক্ৰীড়া ক্লাবত আয়োজিত অনুষ্ঠানত এহেজাৰ ২৪৫টা ভূমিহীন পৰিয়ালক ভূমি অধিকাৰৰ প্ৰমাণপত্ৰ বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত শ্ৰীবড়োৱে বি টি আৰৰ প্ৰতিটো পৰিয়ালক ভূমি দিয়াৰ বাবে প্ৰশাসন দায়বদ্ধ বুলি উল্লেখ কৰে। তেওঁ কয় যে পৰ্বতঝৰাৰ এহেজাৰ ৫০০ৰো

অধিক পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদান ব্যৱস্থাৰে সামৰি লোৱা হব আৰু ১০ জুলাইৰ পূৰ্বে তেওঁলোকে এই প্ৰমাণপত্ৰ লাভ কৰিব। তেওঁ কয় যে ভূমি অধিকাৰ প্ৰদানৰ দ্বিতীয়টো পদক্ষেপ বিছমুঠি দ্বিতীয় পৰ্যায় অহা মাহত আৰম্ভ কৰা হব। ইয়াৰ দ্বাৰা বি টি আৰত ভূমিহীনক ভূমি প্ৰদান প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰা হব বুলি শ্ৰীবড়োৱে উল্লেখ কৰে। এই অনুষ্ঠানত বি টি আৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু প্ৰশাসনীয় বিষয়া উপস্থিত থাকে।

ooooo

ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰৰ উদ্যোগত আজি চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ মেলেৰীয়া প্ৰৱন এলেকাৰ জনসাধাৰণৰ মাজত ঔষধযুক্ত আঁঠুৱা আৰু কম্বল বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি বামুণগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু প্ৰাথমিক চিকিৎসালয়ত মেলেৰীয়া সজাগতা সভা অনুষ্ঠিত হয়। চিৰাং জিলা প্ৰশাসন আৰু স্বাস্থ্যসেৱা বিভাগৰ উদ্যোগত আয়োজিত এই সভাত বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক নয়ন কুমাৰ বৰুৱাই মেলেৰীয়া ৰোগৰ পৰা বাছি থাকিবলৈ গ্ৰহণ কৰিব পৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। অনুষ্ঠানত সাংসদ ৰণগৌৰা নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, স্বাস্থ্যসেৱা বিভাগৰ যুটীয়া সঞ্চালক ডা০ ৰেজাউল কৰিমকে ধৰি অন্যান্য চিকিৎসক আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে বঙাইগাঁও শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত জিলা স্বাস্থ্য বিভাগক ২২ হাজাৰ কম্বল আৰু ২৮ হাজাৰ আঁঠুৱা প্ৰদান কৰা হয়।

ooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আজিৰে পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুসংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ভূমি স্বাস্থ্য পত্ৰৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰৰ ব্যৱস্থা কৰা হ’ব।

ooooo

ওদালগুৰি জিলাৰ ২ নম্বৰ সাতঘৰীয়া গাঁৱত আজি পুৱতি নিশা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। খাদ্যৰ সন্ধানত খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ

পৰা ওলাই অহা বনৰীয়া হাতীৰ জাকে হাতীগড় আৰু মাজুলী চাহ বাগিচাত আশ্ৰয় লৈ পুৰতি নিশা গাঁৱত প্ৰৱেশ কৰে। হাতীৰ গচকত ফুগ্নী মুণ্ডা নামৰ মহিলাগৰাকীৰ মৃত্যু হয় বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে কন্যা সন্তানৰ বিদ্যায়তনিক শিক্ষাৰ লগতে তেওঁলোকক আত্মৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে ৰাণী লক্ষ্মীবাই আত্মৰক্ষা প্ৰশিক্ষণৰ জৰিয়তে বৰ্তমানলৈকে ১০ লাখ ৫ হাজাৰ কন্যাক সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৩ হাজাৰ ৩৬৭ খন বিদ্যালয়ক সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক কাৰাটে, জুডো আৰু টাইকোৱাণ্ডোৰ সমৰকলাৰ তিনিমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ পশ্চিম পটলা-বাৰাংগাবাৰী নিবাসী আদেৰ বড়োৰ আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ।

০০০০০

সমাপ্ত